ইয়াৰ পৰা ‘সন্ন্যাসী’ হৈছে। যিদৰে, সম+মান=সন্মান, সম+মুখ=সন্মুখ, একেদৰে সম+ন্যাস+ঈ=সন্ন্যাসী।

‘বেপৰোৱা’ আৰু ‘বেপেৰুৱা’ শব্দ দুটাৰো সঘনাই ভুল প্ৰয়োগ হোৱা পৰিলক্ষিত হয়। পৰোৱাই নকৰাকে বেপৰোৱা বোলে। যেনে—“চীনক বাৰে বাৰে সতৰ্ক কৰি দিয়াৰ পাছতো চীনা সৈনিকৰ বেপৰোৱা আচৰণৰ বাবে সংঘাত হ’বলৈ পালে।” ‘বেপৰোৱা’ শব্দই ‘অৱজ্ঞা কৰি চলা’ বা ‘কেৰেপ নকৰা’ অৰ্থ প্ৰকাশ কৰে। বেপাৰৰ (বাণিজ্য) লগত ‘বেপৰোৱা’ৰ সম্বন্ধ নাই। বেপাৰৰ (বাণিজ্য) লগত সম্বন্ধ আছে ‘বেপেৰুৱা’ৰহে। যেনে—“চীনা সামগ্ৰী বৰ্জন কৰাত চীনৰ বেপেৰুৱা নীতি বিঘ্নিত হ’ব।” এই ধৰণেহে শব্দ দুটাৰ ব্যৱহাৰ হয়।

‘পুৰণিকলীয়া’ৰ ‘কলীয়া’ ৰূপটো ‘কাল’ৰ পৰা আহিছে। অৰ্থাৎ পুৰণিকালৰ বস্তুকে ‘পুৰণিকলীয়া’ বোলে। পুৰণিকলীয়াৰ দৰে কিন্তু ‘এলান্ধুকলীয়া’ লিখিব নোৱাৰি। কাৰণ ‘পুৰণিকাল’ৰ দৰে ‘এলান্ধুকাল’ বুলি কাল এটা পোৱা নাযায়। অৱশ্যে ‘এলান্ধু বৰণীয়া’ বুজাবলৈ ‘এলান্ধুক’লীয়া’ লিখিব পাৰি। ‘ক’লা’ বৰণৰ পৰা ‘ক’লীয়া’ হ’ব পাৰে। সেয়ে শ্ৰীকৃষ্ণক ‘কলীয়া গোসাঁই’ বুলি নিলিখি ‘ক’লীয়া গোসাঁই’ বুলিহে লিখা উচিত।

কিছুমানে ‘উজ্বল’ বা ‘উজ্বলি উঠা’ বুলি লিখে। আচলতে উৎ+জ্বল=উজ্জ্বল। ইয়াক সৰল ৰূপত উজলিছে, উজলিল, উজলি উঠা ধৰণে ব্যৱহাৰ কৰাৰ নিয়ম গঢ়ি উঠিছে যদিও ‘উজ্বল’ বা ‘উজ্বলি উঠা’ ৰূপবোৰ স্বীকৃত নহয়। গতিকে “মেট্ৰিকত উজ্বলিল অসমীয়া মাধ্যমৰ বিদ্যালয়”ৰ ‘উজ্বলিল’ শব্দটো দৃষ্টিকটু ৰূপত ধৰা দিয়ে। শীৰ্ষস্থান দখল কৰাজনক পিতৃ-মাতৃয়ে উৎসাহ জগাইছিল নে যোগাইছিল? যদি পিতৃ-মাতৃয়ে উৎসাহ দিছিল (বা দান কৰিছিল), তেতিয়াহ’লে ‘যোগাইছিল’। আৰু যদি পিতৃ-মাতৃয়ে সন্তানৰ হৃদয়ত উৎসাহৰ জন্ম দিছিল, তেতিয়া হ’লে ‘জগাইছিল’। ‘যোগা আৰু ‘জগা’ দুটা বেলেগ ধাতু (ক্ৰিয়ামূল)। ‘যোগা’ৰ পৰা যোগান ধৰা, যোগালি, যোগাৰ কৰা অৰ্থাৎ আগবঢ়োৱা অৰ্থত ব্যৱহাৰ হোৱা শব্দবোৰ গঠন হয়। কিন্তু জন্ম হোৱা, উদ্ভৱ হোৱা, উৎপন্ন হোৱা, সৃষ্টি কৰা আদি অৰ্থ প্ৰকাশ কৰিবলৈ ‘জগা’ৰ প্ৰয়োগ হয়। মনত ভাবনা জাগিছে, শিক্ষকে ছাত্ৰৰ জ্ঞান জগাইছে, টোপনিৰ পৰা জগোৱা—আদিবোৰত ব্যৱহাৰ হোৱাৰ দৰে ‘জগা’ৰ ব্যৱহাৰ হয়। চৰকাৰে ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ কিতাপ যোগাই আহিছে, শিক্ষকে বোলে পৰীক্ষাৰ্থীক নকল যোগাইছিল—আদিবোৰ ‘যোগা’ৰ উদাহৰণ। গতিকে ‘জগায়’ মানে হ’ল জন্ম দিয়া আৰু ‘যোগায়’ মানে যোগান ধৰা কাৰ্য। ‘জোৰা’ আৰু ‘যোৰা’ ব্যৱহাৰ কৰোঁতেও বহুতে ভুল কৰে। বিস্তৰ আৰু সুদীৰ্ঘ বুজাবলৈ ‘জোৰা’ ব্যৱহাৰ কৰা হয়; যেনে—“দিনজোৰা কাৰ্যসূচী”, “বিশ্বজুৰি বিয়পি পৰিল” আদি। কিন্তু দুটাক বুজাবলৈ যোৰ বা যোৰা ব্যৱহাৰ হয়; যেনে—পাৰযোৰ, ছেণ্ডেলযোৰ। একোটা দলক বুজাবলৈও ইয়াৰ প্ৰয়োগ হয়; যেনে—পাঠকযোৰা, ঢুলীয়াযোৰা, এযোৰা নাগাৰা নামৰ শিল্পীয়ে নাম পৰিৱেশন কৰিলে।

‘সঞ্চৰতি’ শব্দৰ পৰা ‘সিঁচৰতি’ হৈছে। কিন্তু ‘সিঁচৰিত’ বুলি কোনো কোনোৱে লিখে যদিও ইয়াৰ ব্যুৎপত্তিৰ বিষয়ে একো জনা নাযায়। ‘সিঁচ’, ‘সোঁচৰ’ জাতীয় শব্দৰ পৰা ‘সিঁচৰিত’ হোৱাটো সম্ভৱ নহয়। সিঁচৰি পৰাই হ’ল ‘সিঁচৰতি’ হোৱা। ইয়াক ‘সিঁচৰতি’ লিখাই অধিক যুক্তিযুক্ত। খুব ভুল হোৱা ‘পুণ্য’ আৰু ‘শূন্য’ শব্দ দুটাৰ বানান মনত ৰাখিবলৈ হ’লে যিকোনো এটাৰ বানান নিকপকপীয়াকৈ মনত ৰাখিব লাগিব। এটাত উ-কাৰ, আনটোত ঊ-কাৰ লাগে; আৰু এটাত ‘ণ’ আৰু আনটোত ‘ন’ লাগে। ‘পুণ্য-শূন্য’—ওচৰা-উচৰিকৈ লিখি চোৱাৰ প্ৰয়োজন যে এটাৰ আনটো বিপৰীত সদৃশ।

ঠিকনা ঃ গাঁও আৰু ডাক ঃ বগুৰিহাটী-৭৮১৩১০, নলবাৰী, ফোন ঃ ৯৩৬৫৬৫৪৮৮২

# খন, টো, ডালৰ বিড়ম্বনা

**হিতেশ কুমাৰ কটকী**

অসমীয়া আমাৰ মাতৃভাষা। পঢ়া-শুনাও কৰিছোঁ অসমীয়া মাধ্যমতে। হ’লেও বুকুত হাত থৈ ক’ব নোৱাৰোঁ ভাষাটো ভালকৈ আয়ত্ত কৰিব পাৰিলোঁ বুলি। লিখিত ৰূপটো বাৰু যেন-তেন, কিন্তু কথিত ৰূপটো? চাৰি-পাঁচ মাইলৰ ব্যৱধানতে সলনি হয় কথিত ভাষাৰ ৰূপ। দূৰত্ব অলপ বেছি হ’লেতো কথাই নাই, বুজিবৰো উপায় নাথাকে। বৰপেটীয়া, নলবৰীয়া, দৰঙীয়া, গোলাঘটীয়া, যোৰহটীয়া, ডিব্ৰুগড়ীয়াৰ মাজত আকাশ-পাতাল প্ৰভেদ। কোনে শুদ্ধকৈ কয়, কোনে ভুলকৈ কয়, ধৰাৰ উপায় নাই।

উদাহৰণস্বৰূপে আমাৰ ভাষাৰ নিৰ্দেশাত্মক প্ৰত্যয়বোৰৰ কথাকে ল’ব পাৰি। খন, টো, ডাল ইত্যাদিৰ ব্যৱহাৰত চৌদিশে খেলিমেলি। যাৰ যেনেকৈ ইচ্ছা ব্যৱহাৰ কৰিছে। এই ‘খন’ শব্দটোৰ কথাকে ধৰক—চেপেটা, বহল কিবা বুজাবৰ বাবে আমি এই শব্দটো ব্যৱহাৰ কৰোঁ। যেনে—চোতালখন, কোৰখন, ভৰিৰ পতাখন ইত্যাদি। সেইপিনৰ পৰা চাবলৈ গ’লে ‘পিঠিকতো’ পিঠিখন বুলিয়েই ক’ব লাগে। আমিও সেইদৰেই কওঁ। পিছে, যোৰহটীয়া শ্ৰীমতীয়ে প্ৰায়ে কোৱা শুনো, ‘পিঠিটো বিষাইছে, পিঠিটো খজুৱাইছে’ ইত্যাদি। কাৰটো শুদ্ধ, কাৰটো ভুল? নে দুয়োটাই শুদ্ধ? যুক্তি-তৰ্ক কৰাৰ উপায় নাই। ঘৰতে ৰামায়ণ, মহাভাৰত হৈ যোৱাৰ ভয়।

গোটা, ঘূৰণীয়া বস্তুৰ পিছত সাধাৰণতে আমি ‘টো’ শব্দটো ব্যৱহাৰ কৰোঁ। যেনে—ফুটবলটো, মাৰ্বলটো, বগৰীৰ গুটিটো ইত্যাদি। তেনেহ’লে গোলাকাৰ বুলি জনাৰ পাছতো ‘পৃথিৱীটো’ নুবুলি ‘পৃথিৱীখন’ বোলা হয় কিয়? কোনোবাই হয়তো যুক্তি দিব যে পৃথিৱীৰ উপৰিভাগ চেপেটা বহল হোৱা বাবে পৃথিৱীৰ ক্ষেত্ৰত ‘খন’ শব্দটো ব্যৱহাৰ কৰা হয়। ঠিক আছে এক ছেকেণ্ডৰ বাবে মানি ল’লোঁ এই যুক্তিটো। কিন্তু একে আকৃতিৰ হোৱা সত্ত্বেও চন্দ্ৰ বা সূৰ্যৰ বেলিকা ‘চন্দ্ৰখন’ বা ‘সূৰ্যখন’ নুবুলি ‘চন্দ্ৰটো’, ‘সূৰ্যটো’ বোলে কিয়? এই কিয়বোৰ সদায় কিয় হৈয়ে থাকে।

গোটা, দীঘলীয়া বস্তুৰ ক্ষেত্ৰত সাধাৰণতে আমি ‘ডাল’ শব্দটো ব্যৱহাৰ কৰোঁ। যেনে—গুণাৰ তাঁৰডাল, চেকনিডাল, নাইলনৰ ৰছীডাল ইত্যাদি। তেনেহ’লে গোটা, দীঘলীয়া হোৱাৰ পাছতো ঘৰৰ খুঁটা এটাক ‘খুঁটাডাল’ বুলি নকৈ ‘খুঁটাটো’ বুলিনো কওঁ কিয়? প্ৰায় একে আকৃতিৰ হোৱাৰ পাছতো পেঞ্চিলৰ ক্ষেত্ৰত ‘পেঞ্চিলডাল’ আৰু কলমৰ ক্ষেত্ৰত ‘কলমটো’ বুলিনো কোৱা হয় কিয়?

ডিব্ৰুগড়ৰ কিছুমান অঞ্চলৰ মানুহে কলমক ‘কলমডাল’ বা ‘পে’নডাল’ বুলি কোৱা শুনিছোঁ। আকৃতিৰ পিনৰ পৰা চালে ‘কলমডাল’ বা ‘পে’নডাল’ বুলি কোৱাৰ সপক্ষেই যুক্তি বেছি। পিছে নিজে সেইদৰে নকৈ ‘কলমটো’, ‘পে’নটো’ বুলি কওঁ। গতিকে ‘কলমডাল’, ‘পে’নডাল’ বুলি কোৱা শুনিলে কিবা অখজা লাগে। এনে লাগে যেন শব্দটোত খং, বিৰক্তি, ঠাট্টা-মস্কৰা মিহলি কৰিহে তেনেকৈ কৈছে। আমিও যে খং উঠিলে কেতিয়াবা কওঁ, ‘কিডাল কৰিবা হে?’ ‘ছঃ! এইডালৰ আকৌ এতিয়াহে ৰিফিল শেষ হ’বলৈ পালে।’ — ঠিক এনেকুৱা অনুভৱ হয়।

ঠিকনা ঃ দিল্লী পাব্লিক স্কুল, দুলীয়াজান-৭৮৬৬০২, ফোন ঃ ৯৪৩৫১৪৯১১৩